page -7 - (6.1)

B.A. 6th Sem. 2021 ①
Sub: Education
Paper- 6.01 (General course)
Name of the Paper: Educational Technology (G.U.)

Some important questions answers.

Q. No. 1 শৈক্ষিক প্ৰযুক্তি বিজ্ঞানৰ উদ্দেশ্য সমূহ: Objectives of Educational Technology:

Ans: প্ৰযুক্তি বিজ্ঞানৰ মুখ্য উদ্দেশ্য হʼল- আধুনিক শিক্ষা ব্যৱস্থা, শিক্ষাৰ ধৰণ, পাঠ্যক্ৰম, শিকন-শিক্ষণ, শিক্ষাৰ বিষয়বস্তু নিৰ্বাচন ইত্যাদি প্ৰক্ৰিয়াক আধুনিক যন্ত্ৰপাতি, প্ৰণালীবদ্ধ, সুসংগঠিত আৰু বিজ্ঞান সন্মত কৰি তোলা। তদুপৰি শিক্ষণ শিকন কাৰ্য্যক অধিক সহজ সৰল কৰি সুচল, শিক্ষাৰ্থী তথা আধুনিকীকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰা। শৈক্ষিক প্ৰযুক্তি বিজ্ঞানৰ সাধাৰণ উদ্দেশ্য হিচাপে তলত উল্লেখ কৰা হʼল। ইয়াৰ আলোচনা কৰিব পাৰি।

১। শিক্ষণ শিকন প্ৰক্ৰিয়া আৰু ইয়াৰ লগত জড়িত বিভিন্ন দিশ যেনে- প্ৰণালীবদ্ধ কৰি আধুনিক জ্ঞান বিজ্ঞানৰ শিকন পদ্ধতি, কৌশল, সাজ-সঁজুলি আদি সমূহক প্ৰয়োগ কৰা।

২। শিকন প্ৰক্ৰিয়া, শিক্ষণ ব্যৱস্থা আৰু মূল্যায়নৰ ভিন্ন পৰিবৰ্তন সাধন- তথা ছাত্ৰ-ছাত্ৰী, শিক্ষকসকলৰ আচৰণৰ পৰিবৰ্তন সাধন কৰা।

৩। শ্ৰেণী পাঠদানৰ বিষয়সমূহ অধিক মনোগ্ৰাহী, আনন্দদায়ক বোধগম্য যুক্ত কৰি, সময়োপযোগী হিচাপে উপস্থাপন কৰা।

৪। ব্যক্তি আৰু সমাজৰ শৈক্ষিক প্ৰয়োজনীয়তা সমূহ পূৰণ কৰা।

৫। শিক্ষাৰ সুযোগ প্ৰসাৰিত কৰাত বিভিন্ন গণমাধ্যম আৰু ~~বৈদ্যুতিক~~ বৈজ্ঞানিক সঁজুলিসমূহৰ উপযুক্ত ব্যৱহাৰত সহায় কৰা।

৬। দূৰদৰ্শন, চিনেমা, টেলি সংযোগ আদি মাধ্যমৰ দ্বাৰা নতুন নতুন তথ্যৰ অৰ্জিত জ্ঞান প্ৰদান কৰা।

তাৰ পিছত আন এজন শিক্ষাবিদ দেৱকুমাৰী আৰু ঠাকুৰ সহযোগী সাধাৰণতে কেইটামান সাধাৰণ উদ্দেশ্য উল্লেখ কৰিছে। যেনে-

ⓐ শিক্ষাৰ সাধাৰণতে সুবিধাজনক সমাধানৰে বিতৰণ ব্যৱস্থা কৰা।
ⓑ আধুনিক সমাজত শিক্ষাৰ্থীক শিক্ষাৰ সুবিধা প্ৰদান কৰা।
ⓒ উন্নত মানৰ শিক্ষণ সঁজুলিৰ প্ৰয়োগ।
ⓓ শিক্ষাৰ্থীৰ আত্ম নিৰ্দেশক স্বনিৰ্ভৰ সঁজুলিৰ ব্যৱস্থা কৰা আৰু দূৰৱৰ্তী শিক্ষাৰ প্ৰসাৰ ঘটোৱা।

সমাজৰ আৰু অঞ্চলৰ চাহিদাৰ ভিত্তিত শৈক্ষিক প্ৰযুক্তিবিজ্ঞানে বিজ্ঞান সন্মত নীতি, পদ্ধতি আদি প্ৰয়োগ কৰি সামগ্ৰিক শিক্ষণ ব্যৱস্থাত নতুন উদ্ভাৱন আৰু পৰিকল্পনাৰ বিকাশৰ ব্যৱস্থা কৰি আন্তৰ্জাতিক সুবিধাজনক স্তৰলৈ গুৰুত্ব আৰোপ কৰে।

সামগ্ৰিক ভাবে ক'ব পাৰি যে "শৈক্ষিক প্ৰযুক্তিবিজ্ঞান" আৰু অধিক ব্যাপক ভূমিকা পালন কৰিব পাৰিব ... নিৰ্দিষ্ট ক্ষেত্ৰত আৰু উন্নত পৰিকল্পনাৰ ভূমিকা গ্ৰহণ কৰিব পাৰে।